# বুৰঞ্জী বিভাগ

## মাধৱদেৱ বিশ্ববিদ্যালয়

**নাৰায়ণপুৰ, লক্ষীমপুৰ, অসম, পিন-৭৮৪১৬৪**

**তাৰিখ ঃ ০৭/০৫/২০২৬**

প্ৰিয় সতীৰ্থসকল,

মাধৱদেৱ বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ ফালৰ পৰা আপোনালোকক জনাইছো অফুৰন্ত মৰম আৰু শ্ৰদ্ধা। আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে মাধৱদেৱ মহাবিদ্যালয়ৰ প্ৰতিস্থা কালতে স্থাপিত আমাৰ এই বিভাগটোৱে ইতিমধ্যে ৬০ টা বৰ্ষ অতিক্ৰম কৰিছে। এই বিভাগত আপোনালোকৰ আছে বহু অনুদান, স্মৃতি আৰু ৰোমাঞ্চকৰ সময়। বুৰঞ্জী বিভাগ বৰ্তমানেও আগৰ দৰেই বটবৃক্ষৰ দৰে বিশ্ববিদ্যালয়ত জিলিকি আছে। ষাঠি বছৰীয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পৰা নৱ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকললৈকে আমি একেটা পৰিয়ালৰ এই সদস্যসকলে অকণমান একেলগে কথা পাতিবলৈ মন নাযায়নে বাৰু!

সেই উদ্দেশ্য সাৰোগত কৰি অহা ইংৰাজী ১২ মে’, ২০২৬ তাৰিখ মঙ্গলবাৰে দিনৰ ১২ বজাত আমাৰ বিভাগত এক অন্তৰঙ্গ আলাপ অনুষ্ঠানৰ আয়োজন কৰিছোহঁক। উক্ত অনুষ্ঠানলৈ আপোনালোকক আন্তৰিকতাৰে আমন্ত্ৰণ জনালোঁ।

আশাকৰো আপোনালোকৰ উপস্থিতিয়ে আমাক কৃতাৰ্থ কৰিব। ইতি—

*বুৰঞ্জী বিভাগৰ হৈ—*
স্যমন্ত হাজৰিকা
মুৰব্বী অধ্যাপক

**স্থান ঃ বুৰঞ্জী বিভাগ, মাধৱদেৱ বিশ্ববিদ্যালয়**
**তাৰিখ ঃ ১২/০৫/২০২৬**
**সময় ঃ দিনৰ ১২-০০ বজা**

# বুৰঞ্জী বিভাগ
## মাধৱদেৱ বিশ্ববিদ্যালয়
**নাৰায়ণপুৰ, লক্ষীমপুৰ, অসম, পিন-৭৮৪১৬৪**

তাৰিখ ঃ ০৭/০৫/২০২৬

শ্ৰদ্ধাভাজনেষু,

নমস্কাৰ গ্ৰহণ কৰিব। প্ৰথমেই আপোনালোকক মাধৱদেৱ বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ ফালৰ পৰা জনাইছো অশেষ শ্ৰদ্ধা। ৬০ বছৰ গৰকা এই বিভাগৰ লগত আপোনালোক আংশিকভাৱে জড়িত হৈ পৰাত আমি অতি আনন্দিত। আশাকৰো আপোনালোকৰ সন্তানে এই বিভাগক নিজৰে প্ৰিয় ঠাই বুলি মান্যতা প্ৰদান কৰিছে। আমিও চেষ্টা কৰো আমাৰ এই পৰিয়ালটোৰ শিক্ষকসকল অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলক নিজৰ সন্তানৰ দৰেই লালন পালন কৰিবলৈ। হ'লেও কেতিয়াবা আমাৰ সকলোৰে আপোনালোক আৰু আমাৰ মাজত কিছু কথা পাতিবলৈ মন যায়। সুখ, দুখ, অভাৱ, অভিযোগ, ভাল লগা, বেয়া লগাবোৰ এদিন আমি একেলগ হৈ কথা পাতো আহকচোন।

এই উদ্দেশ্যৰে অহা ইংৰাজী ১৩ মে', ২০২৬ তাৰিখ বুধবাৰে আমাৰ বিভাগৰ শিক্ষকসকল আৰু আপোনালোক অভিভাৱকসকলৰ মাজত এক কথোপকথন অনুষ্ঠানৰ আয়োজন কৰিছোহঁক। উক্ত অনুষ্ঠানলৈ আপোনালোকক আন্তৰিকতাৰে আমন্ত্ৰণ জনালো।

আশাকৰো আপোনালোকৰ উপস্থিতিয়ে আমাক কৃতাৰ্থ কৰিব। ইতি—

*বুৰঞ্জী বিভাগৰ হৈ—*
স্যমন্ত হাজৰিকা
মুৰব্বী অধ্যাপক

**স্থান ঃ বুৰঞ্জী বিভাগ, মাধৱদেৱ বিশ্ববিদ্যালয়**
**তাৰিখ ঃ ১৩/০৫/২০২৬**
**সময় ঃ দিনৰ ১২-০০ বজা**